শপতৰ জৰিয়তে ব্যৱসায়িক পণ্য নিশ্চয় বিক্ৰী হয়, কিন্তু ইয়াৰ ফলত বৰকত শেষ হৈ যায়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ "শপতৰ জৰিয়তে ব্যৱসায়িক পণ্য নিশ্চয় বিক্ৰী হয়, কিন্তু ইয়াৰ ফলত বৰকত শেষ হৈ যায়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শপত খাবলৈ তথা শপত খাই ক্ৰয়-বিক্ৰয় কৰিবলৈ নিষেধ কৰিছে, যদিও ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত তেওঁ সত্যবাদী হয়। তেখেতে এই কথাও জনাইছে যে, এইটো হয়তো পণ্য বিক্ৰী কৰাৰ এটা মাধ্যম হ'ব পাৰে কিন্তু ইয়াৰ ফলত লাভাংশৰ বৰকত নাইকিয়া হৈ যায়। আল্লাহে তাৰ এই সম্পদ বিভিন্ন প্ৰকাৰে ধ্বংস কৰি দিয়ে, হয়তো চুৰি হয়, নাইবা জুই লাগে, অথবা বানপানীত ভাহি যায় নাইবা লুণ্ঠন হয় অথবা অন্য কোনো কাৰণত ধ্বংস হয়।

http://sunnah.global/hadeeth/as/show/5936